**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও কাৰ্বি জাতীয় সংগঠনে চলাই থকা প্ৰতিবাদে কালি হিংসাত্মক ৰূপ ধাৰণ কৰে। একাংশ প্ৰতিবাদকাৰীয়ে কালি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ কৰে আৰু বাসগৃহটো লণ্ডভণ্ড কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত তিনিজন প্ৰতিবাদকাৰী আহত হয়। আনহাতে প্ৰতিবাদকাৰীৰ আক্ৰমণত এজন আৰক্ষীৰ জোৱানো আহত হয়। উল্লেখযোগ্য যে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কাৰ্বি আংলং জিলাৰ পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থা আৰু জাতীয় সংগঠনসমূহে যোৱা ১৫ দিন ধৰি অনশন কাৰ্যসূচীকে ধৰি আন্দোলন চলাই আহিছে। আনহাতে এই ভূমি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ বাবে বিষয়টোত চৰকাৰ বা স্বায়ত্তশাসিত পৰিষদে বৰ্তমান হস্তক্ষেপ কৰিব নোৱাৰে বুলি মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰিছে। অঞ্চলটোৰ উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিশা অঞ্চলটোত বিদ্যুৎ কৰ্তনৰ লগতে ভাৰতীয় ন্যায় সুৰক্ষা সংহিতাৰ ২০২৩ৰ অধীনত ১৬৩ ধাৰাও জাৰি কৰা হয়। অনিৰ্দিষ্ট কাললৈ প্ৰশাসনে এই নিৰ্দেশা অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে সমগ্ৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীক সষ্টম হৈ থকাৰ নিৰ্দেশ দিয়ে। জিলাখনত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ বুজ লোৱাৰ বাবে যোৱা নিশা মন্ত্ৰী ৰণোজ পেগুও উপস্থিত হয়। অঞ্চলটোত সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে অভিলাষী প্ৰকল্প হিচাপে গ্ৰহণ কৰা বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প অহা ২৯ ডিচেম্বৰত উদ্বোধন কৰা হ'ব। ৰাজ্য চৰকাৰে দখলমুক্ত কৰা ১৬২ বিঘা ভূমিত ২১৭ কোটি টকা ব্যয়ৰে এই প্ৰকল্প আটক ধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। ইয়াক বিশ্বৰ উচ্চতম গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ প্ৰতিফলিত কৰা বিভিন্ন কাৰুকাৰ্যসূচীত অতিথিগৃহ, দেৱবাদ্য তালৰ আৰ্হিত কলাকেন্দ্ৰ, খোলৰ আৰ্হিত গৱেষণা কেন্দ্ৰ, নাৱৰ আৰ্হিত কৌশল বিকাশ কেন্দ্ৰ আৰু জাপিৰ আৰ্হিত নাট ঘৰকে ধৰি বিভিন্ন সমলেৰে সমৃদ্ধ কৰা হৈছে। নিৰ্মীয়মান এই প্ৰকল্পস্থলী কালি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। তেওঁ লগতে অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰিবলগীয়া বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট সকলক এই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ কাম নিয়াৰিকৈ আৰু শীঘ্ৰে কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পস্থলী পৰিদৰ্শনৰ পাছত সাংবাদিকৰ আগত কয়, যে গুৰুজনাৰ স্মৃতি বিজড়িত এই স্থানৰ পৱিত্ৰতা আৰু গৌৰৱক পুনৰুদ্ধাৰ কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈ উঠা প্ৰকল্পটো উদ্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০০

লখিমপুৰৰ ঢকুৱাখনা পৌৰ সভাৰ ডাম্পিং গ্ৰাউণ্ডত কালি এটা জাৱৰ নিষ্কাশন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত স্থানীয় বিধায়ক নৱকুমাৰ দলে, ঢকুৱাখনা সমজিলা আয়ুক্ত অপূৰ্ব কুমাৰ নাথ, জিলা পৰিষদৰ সভানেত্ৰী চোনিয়া বৰগোঁহাই, পৌৰপতি ৰাজীৱ দাস প্ৰমুখ্যে কেইবাজনো চৰকাৰী বিষয়া আৰু স্থানীয় বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ৰাজ্যজুৰি আয়োজন কৰা গাৰ্লছ্ ফৰ গ'ল্ছ শীৰ্ষক আদিবাসী মহিলা ফুটবল চেম্পিয়নশ্বিপত ডিব্ৰুগড়ৰ জামিৰা চাহ বাগিচা মহিলা ফুটবল ক্লাবে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। কালি কঠালগুৰি চাহ বাগিচাত অনুষ্ঠিত চূড়ান্ত খেলত দলটোৱে যোৰহাটৰ খৰিকটীয়া য়ুথ ক্লাবক ২-১ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ১৬ খন জিলাৰ ৬০ টা ফুটবল দলে অংশ লোৱা এই প্ৰতিযোগিতাত যোৰহাটৰ খৰিকটীয়া য়ুথ ক্লাবৰ ববিতা প্ৰাচীক চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বাছনি কৰা হয়। আনহাতে বিজয়ী দলৰ সোণমণি মুণ্ডাই সমগ্ৰ প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। ডিব্ৰুগড়ৰ ভাবালিনী মান্কিয়ে শ্ৰেষ্ঠ গলকীপাৰ আৰু চৰাইদেউ ফুটবল ক্লাবৰ পৰিস্মিতা মুঢ়াই শ্ৰেষ্ঠ ষ্ট্ৰাইকাৰৰ সন্মান লাভ কৰে।

০০০০০০

সমাপ্ত